# বিগত দশকত কংগ্ৰেছ দ'লে চি বি আই ক কৌশলেৰে ব্যৱহাৰ কৰিছে

দিনাংক- **৯ ফেব্ৰুৱাৰী ২০১৪**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

যোৱাকালি, ইকনমিকচ কাকতত, চি বি আই ৰ সঞ্চালক শ্ৰীযুত ৰঞ্জিত সিনহাৰ এটি বিবৃত্তি প্ৰকাশ পাইছে । সচাঁ কথা উলাই পৰিল । তেওঁ কৈছে যে যদি ইশ্চৰত জাহান গুচৰত অমিত চাহাক চাৰ্জশ্বীট কৰিব পাৰিলেহেতেঁন তেতিয়া ইউ পি এ চৰকাৰ অত্যন্ত সুখী হ'লহেতেঁন । লগতে তেওঁ কৈছে যে অমিত চাহাৰ বিৰুদ্ধে চি বি আই এ কোনো ধৰণৰ তথ্য পোৱা নাই । যিহেতু তেওঁৰ এই বিৰোধিতায়ে চৰকাৰৰ বিৰুদ্ধে বহুতো মন্তব্য দাঙি ধৰিলেহেতেঁন সেই বাবে তেওঁ আকৌ নিকা ব্যাখা দিব লগা হ'ল যে তেওঁৰ কথা ভাঙি ভাঙি প্ৰস্তুত কৰা হৈছে । ইউ পি এ ৰ শাসন সমাপ্ত হোৱাৰ পূৰ্বে স্বাধীন চি বি আই সঞ্চালকৰ বিবৃত্তি, তাৰ ওপৰত নিকা ব্যাখা ইত্যাদিয়ে চি বি আই ক নিজৰ মতে চলোৱাৰ অভিযোগৰ নীৰিক্ষণ কৰিব পাৰি ।

পুলিচ আৰু অনুসন্ধানকাৰী বিভাগৰ দ্বাৰা গুচৰক সাল-সলনি ঘটাই প্ৰস্তুত কৰা কোনো ডাঙৰ কথা নহয় । জৰুৰীকালীন অৱস্থাৰ সময়ত ৰাজনৈতিক  কাৰ্য্যকৰ্ত্তাৰ বিৰুদ্ধে ২ লাখতকৈও অধিক এজাহাৰ ৰজু কৰা হৈছিল । সেইসময়ৰ জাননীৰ মতে বহুতক মেইন্টেনেন্স অফ ইন্টাৰনেল চিকিউৰিটি বিধেয়কৰ অধীনত আটক কৰা হৈছিল আৰু আন বহুতক ডিফেন্স অফ ইণ্ডিয়া ৰুলচৰ অধীনত আটক কৰা হৈছিল । আনকি পুলিচৰ দ্বাৰা পঞ্জীকৃত এজাহাৰো একে আছিল । বিৰোধী দ'লৰ ৰাজনৈতিক কাৰ্য্যকৰ্ত্তাই বিভিন্ন ঠাইত কংগ্ৰেছ চৰকাৰক বৰ্খাস্ত কৰা ভাষনৰ বাবে তেওঁলোকক অভিযুক্ত কৰা হৈছিল । কিন্ত ই বাধা প্ৰদান কৰাৰ কাৰণ নহয় । বহুত দুখজনক যে কোনো পুলিচ বিষয়াই আগতে আহি নকলে যে মই ভুৱা এজাহাৰ পঞ্জীকৃত নকৰো অথবা নিৰ্দোষী লোকক হাৰাশাস্তি নকৰো । তেওঁলোক সকলোৱে জৰুৰীকালীন সময়ৰ বেয়া ব্যৱস্থাক সহযোগিতা আগবঢ়াইছিল ।

২০০৪ চনৰ পৰা ২০১৪ লৈকে ইউ পি এ চৰকাৰে কেন্দ্ৰীয় অনুসন্ধান বিভাগক কৌশলপূৰ্ণভাৱে ব্যৱহাৰ কৰাত বিশেষাধিকাৰ লাভ কৰিছে । সেই সময়ত কেন্দ্ৰীয় অনুসন্ধান বিভাগ চৰকাৰৰ নিয়ন্ত্ৰণত নাছিল । আনকি ইয়াক শাসকীয় দ'লে নিয়ন্ত্ৰণ কৰিছিল । এক

প্ৰতিভাৱান লোকক কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ সঞ্চালক হিচাপে বিচাৰ কৰা হৈছিল । কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ দ্বৰে এটা বিভাগ সঞ্চালকৰ দ্বাৰা পৰিচালিত হয় । তেওঁৰ কথাই শেষ কথা । অনুসন্ধানকাৰী বিষয়াই এটা ফাইল অনুসন্ধান কৰোতে এইয়াই ধাৰণা কৰি লয় যে এজন ব্যক্তিক দোষী অথবা দোষমুক্ত কৰিব লাগিব । কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ আভ্যন্তৰীণ পৰীক্ষা আৰু নিৰীক্ষণ সম্পূৰ্ণৰূপে ভাঙি গৈছে । অৱসৰ লোৱাৰ আগমুহূৰ্ত্তত সঞ্চালকক নতুন নিযুক্তি যচা হয় । অৱসৰ লোৱাৰ পাছত বিভিন্ন চাকৰিৰ পৰামৰ্শ দিয়া হয় । এই সকলোৰ জড়িয়তে চৰকৰে তেওঁলোকক সহজতে প্ৰভাৱিত কৰাৰ চেষ্টা কৰে । আচলতে অৱসৰৰ পাছত সঞ্চালকৰ নিযুক্তি ইউ পি এচ চি গভৰ্নৰ্শ্বীপৰ পৰা সদস্যতাৰলৈকে হ'ব পাৰে । এজন বিশেষ সঞ্চালকে যি কিছুদিন পূৰ্বে অৱসৰ গ্ৰহণ কৰিছে আৰু তেওঁ ইছৰত জাহান গুচৰত অমিত চাহক দোষী সাব্যস্ত কৰা বিশেষ আগ্ৰহ দেখুৱাইছিল, সেইজনে অৱসৰ লোৱাৰ আগতে জামিয়া মিলিয়া ইছলামীয়া বিশ্ববিদ্যালয়ৰ ভাইচ-চেঞ্চেলৰ হিচাপে নিযুক্ত লাভ কৰিছিল । বিভৃন্ন খবৰ কাকতৰ মতে তেওঁক চেণ্ট্ৰেল ভিজিলেন্স কমিচনত ভিজিলেন্স কমিচনাৰৰ নিযুক্তিৰ বাবে বাচনি কৰা হৈছিল ।

কিছুদিন পূৰ্বে মই প্ৰধানমন্ত্ৰীলৈ লিখা পত্ৰত বিস্তৃতভাৱে উল্লেখ কৰিছিলো যে কিদ্বৰে কেন্দ্ৰীয় অনুসন্ধান বিভাগে বি জে পি ৰ নেতা, যেনে - অমিত চাহ, গুলাব ছন্দ কাতাৰিয়া আৰু ৰাজেন্দ্ৰ ৰাথোৰক মিছা অভিযোগত দোষী সাৱ্যস্ত কৰাৰ চেষ্টা কৰিছিল । উচ্চ ন্যায়লয়ে অমিত চাহক জামিন দিয়াৰ সময়ত কৈছিল যে তেওঁৰ বিৰুদ্ধে প্ৰকৃত কোনো তথ্য নাই । গোলাব ছন্দ কাতাৰিয়াৰ বিৰুদ্ধে থকা গুচৰ বিশেষ ন্যায়ধীশে তেওঁক অগ্ৰীম জামিন প্ৰদান কৰিছে । ৰাজেন্দ্ৰ ৰাথোৰৰ গুচৰত বিশেষ ন্যায়ধীশে তেওঁক সম্পূৰ্ণভাৱে অভিযোগৰ পৰা দোষমুক্ত কৰি দিয়ে । এই সকলোৰ বিপৰীতে ইউ পি এ চৰকাৰে সমজবাদী পাৰ্টি আৰু বহুজন সমাজবাদী পাৰ্টিৰ দ্বৰে বাহিৰৰ দ'লৰ পৰা সমৰ্থন লৈ শাসনত থাকিব পাৰিছে । কেন্দ্ৰীয় অনুসন্ধান বিভাগক কৌশলপূৰ্ণভাৱে ব্যৱহাৰ কৰি দুই দ'লৰ পৰা সমৰ্থন লোৱাত সক্ষম হৈছিল । ইউ পি এ চৰকাৰৰ জেষ্ঠ নেতাৰ বিৰুদ্ধে বে-হিচাপ সম্পত্তিৰ অধিকাৰী হোৱাৰ গুচৰ ৰজু কৰা হৈছে ।

কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ সঞ্চালকে ইকন'মিকচ টাইমচত প্ৰকাশিত বিবৃত্তিক নাকচ কৰাৰ লগতে তথ্যহীন বুলি মত প্ৰকাশ কৰিছে । এই সন্দৰ্ভত বৃহৎ পৰিমাণৰ তথ্য উপলব্ধ আছে যাৰ পৰা বুজা যাব যে এইয়া চি বি আই ক প্ৰভাৱিত কৰি কাৰ্য্য কৰোৱা হৈছে ।